# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 25-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিখন ৰাজ্যৰ পাঁচদিনীয়া ভ্ৰমণসূচীৰ প্ৰথম দিনা আজি বিহাৰলৈ যাব।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে নিউ ইণ্ডিয়া কো-অপাৰেটিভ বেংকত আৰোপ কৰা নিষেধাজ্ঞা বাতিল কৰিছে।

৪। ভূপালত অনুষ্ঠিত দুদিনীয়া বিশ্ব বিনিয়োগ সন্মিলনৰ আজি সামৰণি পৰিব। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত নিউজিলেণ্ডে বাংলাদেশক ৫ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা চাৰে দহ বজাত গুৱাহাটীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্মিলনৰ উদ্বোধন কৰিব। দুদিনীয়া এই সন্মিলনত উদ্বোধনী অধিৱেশন, সাতখন মন্ত্ৰী অধিৱেশন আৰু ১৪খন বিষয়ভিত্তিক অধিৱেশনত শিল্প বিৱৰ্তন, বিশ্ব বাণিজ্য অংশীদাৰিত্ব আৰু অসমৰ সজীৱ এম এছ এম ই খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু চুবুৰীয়া ৰাজ্যৰ কেবাজনো মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন ৰাষ্ট্ৰৰ ৬১ জন কূটনীতিবিদ, ব্যৱসায়িক প্ৰতিনিধি গোট আৰু উদ্যোগ বিশেষজ্ঞই অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও আজি এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ শীৰ্ষ সন্মিলনৰ বিয়লিৰ অধিবেশনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকী আজি বিয়লি নতুন দিল্লীলৈ ৰাওনা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কয় যে চৰকাৰৰ প্ৰচেষ্টাত উত্তৰ-পূবৰ ৰাজ্যসমূহে উন্নয়নৰ নতুন শিখৰত উপনীত হ'ব। কালি সন্ধিয়া গুৱাহাটীত ৰাজ্য চৰকাৰৰ উদ্যোগত অনুষ্ঠিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে এসময়ত উন্নয়নৰ ক্ষেত্ৰত অসম আৰু উত্তৰ-পূৰ্বাঞ্চল অৱহেলিত হৈ আছিল আৰু অঞ্চলটোৰ সংস্কৃতিক উপেক্ষা কৰা হৈছিল। তেওঁ লগতে কয় যে এতিয়া তেওঁ নিজেই উত্তৰ-পূবৰ সংস্কৃতিৰ ব্ৰেণ্ড এম্বেছাদৰ হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোডীয়ে আস্থা প্ৰকাশ কৰি কয় যে চাহ উদ্যোগ আৰু চাহ শ্ৰমিকসকলৰ উন্নয়নে অসমৰ সামগ্ৰিক উন্নয়নত সহায় কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলক নতুন শিখৰত উপনীত কৰিব। ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ পূৰ্বে তেওঁ সকলো অংশগ্ৰহণকাৰীক কৃতজ্ঞতা আৰু শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে চাহ শ্ৰমিকৰ উন্নত স্বাস্থ্যৰ বাবে অসম চৰকাৰে ৩৫০ টাতকৈও অধিক আয়ুষ্মান মন্দিৰ মুকলি

কৰিছে। চাহৰ সৈতে অসমৰ গভীৰ সম্পৰ্কক স্বীকাৰ কৰি তেওঁ পানীয়ৰ বিক্ৰেতা হিচাপে নিজৰ অতীত স্মৰণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁৰ কাৰ্যকালতেই অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিছে। তেঁও লগতে কয় যে চৰকাৰে চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীৰ বাবে আন্তৰিকতাৰে কাম কৰি আছে আৰু তেওঁলোকৰ সংস্কৃতি আৰু জীৱনশৈলী উদযাপনৰ বাবে জনজাতীয় গৌৰৱ দিৱস পালন কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আদিবাসী সংস্কৃতি সংৰক্ষণৰ বাবে ৰাজ্যত নিৰ্মাণ হ'বলগীয়া আদিবাসী সংগ্ৰহালয়সমূহৰ বিষয়েও ভাষণত উল্লেখ কৰে। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীকে ধৰি ৬১গৰাকী বিদেশী প্ৰতিনিধিৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলে কালি ঝুমুইৰ বিনন্দিনী অনুষ্ঠান উপভোগ কৰে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে এয়া ৰাজ্যখনৰ বাবে এটা ডাঙৰ সৌভাগ্যৰ মুহূৰ্ত, কিয়নো নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে অসমত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰীগৰাকী ঝুমইৰ বিনন্দিনী অনুষ্ঠানত প্ৰায় ৮ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰা ঝুমইৰ নৃত্যু উপভোগ কৰি আপ্লুত হয়। অসম চৰকাৰৰ উদ্যোগত সৰুসজাই ষ্টেডিয়ামত কালি অসমত চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে চাহ জনজাতি সমাজৰ চহকী সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হয়। এই অনুষ্ঠানৰ পিছতে অসমৰ সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰা এটা লেজাৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীক বিমানবন্দৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনোৱাৰ পাছত পথৰ কাষত বিভিন্ন সাংস্কৃতিক প্ৰদৰ্শনীৰ মাজেৰে সৰুসজাই ক্ৰীডা প্ৰকল্পলৈ আদৰণি জনোৱা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিখন ৰাজ্যৰ পাঁচদিনীয়া ভ্ৰমণসূচীৰ প্ৰথম দিনা আজি বিহাৰলৈ যাব। শ্ৰীমতী মুৰ্মু আজি পাটনা চিকিৎসা মহাবিদ্যালয়ৰ শতবৰ্ষ উদযাপন কাৰ্যসূচীত উপস্থিত থাকিব। ভ্ৰমণৰ দ্বিতীয় দিনা ৰাষ্ট্ৰপতিগৰাকীয়ে মধ্যপ্ৰদেশৰ চত্তৰপুৰৰ গাধাত বাগেশ্বৰ জন্ সেৱা সমিতিয়ে আয়োজন কৰা সমূহীয়া বিবাহ অনুষ্ঠানত ভাগ ল'ব। সেইদিনাই তেওঁ গুজৰাটৰ কেৱাৰিয়াত নৰ্মদা আৰতী অনুষ্ঠানত উপস্থিত থাকিব। ২৭ ফেব্ৰুৱাৰীত শ্ৰীমতী মুৰ্মুৱে কেৱাৰিয়াৰ এক্তা দক্ষতা বিকাশ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে আহমেদাবাদৰ নেচনেল ইনষ্টিটিউট অৱ ডিজাইনৰ ৪৪ সংখ্যক দীক্ষান্ত সমাৰোহত ভাগ ল'ব। ২৮ ফেব্ৰুৱাৰীত শ্ৰীমতী মুৰ্মু গান্ধী নগৰত থকা ৰাষ্ট্ৰীয় ফৰেনচিক ছায়েন্স বিশ্ববিদ্যালয়ৰ তৃতীয় দীক্ষান্ত সমাৰোহত ভাগ ল'ব। সেইদিনাই তেওঁ ভুজত থকা স্মৃতিভান ভূমিকম্প স্মাৰকলৈও যাব। পহিলা মাৰ্চত ৰাষ্ট্ৰপতি মুৰ্মু **ইউনেচকোৰ** বিশ্ব ঐতিহ্যক্ষেত্ৰ ধলাভিৰালৈ যাব।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে নিউ ইণ্ডিয়া কো-অপাৰেটিভ বেংকত কেইবাটাও নিষেধাজ্ঞা আৰোপ কৰাৰ কিছুদিন পিছত কালি প্ৰতিজন গ্ৰাহকৰ বাবে ২৫,০০০টকা পৰ্যন্ত জমা ধন উলিওৱাৰ অনুমতি প্ৰদান কৰিছে। ২৭ ফেব্ৰুৱাৰীৰ পৰা এই নতুন নিয়ম কাৰ্যকৰী হ'ব। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে যে ৫০ শতাংশতকৈ অধিক গ্ৰাহকে নিজৰ সমগ্ৰ জমাধন উলিয়াব পাৰিব আৰু বাকীসকলে একাউণ্টৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত উলিয়াব পাৰিব।

আৰ বি আইয়ে ২৫ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰশাসকৰ উপদেষ্টা সমিতিখনো পুনৰ গঠন কৰিছে। ইয়াৰ পূৰ্বে ১৩ ফেব্ৰুৱাৰীত আৰ বি আইয়ে নিউ ইণ্ডিয়া কো-অপাৰেটিভ বেংক লিমিটেডৰ মুম্বাই শাখাত অল ইনক্লুছিভ ডাইৰেকচন এ আই ডি জাপি দিছিল আৰু বেংকটোৰ চেভিংছ বা কাৰেণ্ট একাউণ্টৰ পৰা গ্ৰাহকক জমা ধন উলিয়াবলৈ অনুমতি নিদিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত ত্ৰিপুৰাৰ ২ লাখ ৮০ হাজাৰ কৃষকৰ বেংক একাউণ্টলৈ ৫০ কোটিতকৈও অধিক টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হৈছে। ত্ৰিপুৰাৰ খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী সুশান্ত চৌধুৰীয়ে আগৰতলাত অনুষ্ঠিত এটা অনুষ্ঠানত কালি, কৃষকসকলক সম্বোধি এই কথা প্ৰকাশ কৰে। অনুষ্ঠানত বিত্তীয় সাহায্যৰ ঊনবিংশ কিস্তি বিতৰণ কৰা হয়। উল্লেখযোগ্য যে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশৰ ৯ কোটি ৮০ লাখতকৈও অধিক কৃষকৰ বাবে ২২ হাজাৰ কোটিতকৈও অধিক পুঁজি মুকলি কৰি দিছে। এই কৃষকসকলৰ ভিতৰত ২ কোটি ৪১ লাখ মহিলা কৃষক। শ্ৰীচৌধুৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ত্ৰিপুৰা চৰকাৰে কৃষকসকলৰ আয় বৃদ্ধি কৰি তেওঁলোকক আৰ্থিকভাৱে সবল কৰাৰ উদ্দেশ্যে সক্ৰিয়ভাৱে কাম কৰি আছে।

ooooo

ভূপালত অনুষ্ঠিত দুদিনীয়া বিশ্ব বিনিয়োগ সন্মিলনৰ আজি সামৰণি পৰিব। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজিৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আমাৰ সংবাদদাতাই জনোৱা মতে কেন্দ্ৰীয় গৃহ নিৰ্মাণ, নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খট্টৰৰ লগতে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱো উপস্থিত থাকিব। সন্মিলনৰ প্ৰথম দিনা বিনিয়োগকাৰীসকলে বহু বিনিয়োগ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ ফলত ১৩ লাখ ৪৩ হাজাৰতকৈও অধিক কৰ্মসংস্থাপনৰ পথ মুকলি হ'ব আশা কৰা হৈছে। সন্মিলনৰ সময়ছোৱাত মধ্যপ্ৰদেশ চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ মাজত প্ৰায় ৪ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ প্ৰকল্পৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হয়।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাৰ কাইলৈ আনুষ্ঠানিকভাৱে সামৰণি পৰিব। প্ৰশাসনে ভক্তসকলৰ সুৰক্ষা আৰু সুবিধাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰয়াগৰাজৰ জিলা ন্যায়াধীশে জনোৱা মতে এই মহাকুম্ভৰ মেলা যাতে শৃংখলিত আৰু নিয়াৰিকৈ সমাপন হৈ তাৰ বাবে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ভক্তসকলৰ যাতায়াতৰ সুবিধাৰ দিশটোৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছে।

ooooo

নিৰ্বাচন আয়োগে ৪ মাৰ্চৰ পৰা নতুন দিল্লীত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়া সকলৰ এখন সন্মিলনৰ আয়োজন কৰিছে। ভাৰত আন্তৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠানত হ'বলগীয়া এই দুদিনীয়া সন্মিলনত তথ্য-প্ৰযুক্তি ব্যৱস্থাপনা, কাৰ্যকৰী জনসংযোগ স্থাপন, সামাজিক মাধ্যমক জনসাধাৰণৰ অধিক কাষ চপাই নিয়া আৰু নিৰ্বাচন পৰিচালনাৰ সৈতে জড়িত বিধি ব্যৱস্থা সম্পৰ্কত বিস্তাৰিত

আলোচনা আৰু পৰ্যালোচনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দেশৰ দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তৰূপে জ্ঞানেশ কুমাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এইখন হ'ব এনেধৰণৰ প্ৰথম সন্মিলন।

00000

ৰাৱলপিণ্ডিত অনুষ্ঠিত পুৰুষৰ আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত নিউজিলেণ্ডে কালি বাংলাদেশক ৫ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২৩৬ ৰাণ কৰে। দলটোৰ হৈ নাজমুল হোছেইন শান্তোৱে ৭৭ ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ড ৪৬ অভাৰ এটা ১টা বলত ৫টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ মাইকেল ব্ৰেচৱেলে ৪টা উইকেট দখল কৰে। ৰচীন ৰবিন্দ্ৰই সৰ্বাধিক ১১২ ৰাণ কৰে। মাইকেল ব্ৰেচৱেলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

নিউজিলেণ্ডৰ এই বিজয়ৰ ফলত পাকিস্তান আৰু বাংলাদেশ দুয়োটা দল প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ-এৰ দুখনকৈ খেলত জয়লাভ কৰি ভাৰত আৰু নিউজিলেণ্ডে ৪ পইণ্টকৈ লাভ কৰিছে। দল দুটাই ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে।

00000

৩ মে'ৰ পৰা ১২ মে'ৰ ভিতৰত চাইপ্ৰাছৰ নিকোছিয়াত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শ্বুটিং ক্ৰীড়া ফেডাৰেচনৰ শ্বটগান বিশ্বকাপৰ বাবে কালি ১২জনীয়া ভাৰতীয় দলৰ ঘোষণা কৰা হৈছে। টকিঅ' অলিম্পিয়ান কিনান চেনাই আৰু অভিজ্ঞ মৈৰাজ আহমদ খানক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ৰাষ্ট্ৰীয় বাছনি নীতি অনুসৰি ব্যক্তিগত ইভেণ্টত ভাৰতৰ ৰেংকিং তালিকাত ৪ৰ পৰা ৬ নং স্থানত থকা শ্বুটাৰসকলক এই বিশেষ বিশ্বকাপৰ বাবে নিৰ্বাচিত কৰা হৈছে।

00000

সমাপ্ত